**প্ৰাক্ ৰোমাণ্টিক স্তৰৰ অসমীয়া কবিতাৰ উন্মেষৰ পটভূমি ঃ**

আধুনিক অসমীয়া সাহিত্যৰ উন্মেষ পূৰ্বক সময়ৰ অসমীয়া সাহিত্যৰ অন্যতম কীৰ্তি **অৰুণোদই** কাকতে অসমীয়া ভাষাৰ হকে যুক্তিনিষ্ঠভাৱে মাত মাতি আহিছিল যদিও, নতুন সাহিত্য সৃষ্টিৰ লগতে বিভিন্ন বৈজ্ঞানিক আবিষ্কাৰৰ প্ৰচাৰেৰে জ্ঞান প্ৰদানৰ চেষ্টা কৰিছিল যদিও এই কাকতৰ মুখ্য উদ্দেশ্য আছিল খ্ৰীষ্ট ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি এই ধৰ্মলৈ অসমীয়া মানুহক আকৃষ্ট কৰা আৰু ইংৰাজ শাসনৰ পৰোক্ষ সমৰ্থন আগবঢ়োৱা। ইয়াৰ বিপৰীতে **অৰুণোদই** কাকতৰ সাহিত্যৰাজি বিশেষকৈ কবিতাসমূহত কবিৰ আন্তৰিক অনুভূতি নাছিল, নাছিল প্ৰাণৰ স্পন্দন, আছিল মাথোন বাহ্যিক বিৱৰণ। দ্বিতীয়তে অসমীয়া সমাজৰ যিবোৰ সামাজিক সমস্যা আছিল সেই সমস্যাবোৰৰ চিত্ৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায় **অৰুণোদই** কাকতত দেখিবলৈ পোৱা হোৱা নাছিল। ভাষা সমস্যাৰ বাহিৰে তদানীন্তন অসম ৰাজনৈতিক, সামাজিক আদি নানা সমস্যাৰে ভাৰাক্ৰান্ত আছিল যদিও সেইবোৰৰ দাপোণ হিচাপে **অৰুণোদইক** দেখিবলৈ পোৱা নগৈছিল। তৃতীয়তে, অসমীয়া লোকসকলৰ জীৱন-যাপনৰ নিজস্ব পৰম্পৰা, ৰীতি-নীতি বা যি আদব-কায়দা আছিল সেইবোৰৰ প্ৰতিফলন **অৰুণোদইত** বিচাৰি পোৱা নগৈছিল। এনেবোৰ কাৰণতে **অৰুণোদই** কাকতখন প্ৰথম অসমীয়া কাকত হৈও প্ৰকৃতাৰ্থত অসমৰ পটভূমিৰ কাকত হ'ব পৰা নাছিল। সেই সময়তে ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ বাহিৰৰ জগতখনৰ সন্ধান পোৱা অসমীয়া লোকসকলে সমাজ সংস্কাৰ, জ্ঞান প্ৰসাৰ আৰু জাতীয় সচেতনতাৰে জীপাল, প্ৰাণৰ সন্ধান থকা, অসমৰ সমস্যাসমূহ প্ৰতিফলিত কৰা অসমীয়া পটভূমিৰ সাহিত্য সৃষ্টিত মনোনিৱেশ কৰে।

এনে প্ৰচেষ্টাতে সাহিত্যৰ নতুন নতুন ধাৰাৰ উজ্জীৱিত সাহিত্যৰ জন্ম হৈছিল, যি সাহিত্য জাতে-পাতে অসমীয়া সাহিত্য হৈছিল।

**জোনাকী**(১৮৮৯) আলোচনীৰ জৰিয়তে অসমীয়া সাহিত্যত নৱধাৰাৰ বহুতো যুগমীয়া সাহিত্য সৃষ্টিৰে নিৰ্মিত হোৱা ৰোমাণ্টিক ধাৰাৰ প্ৰাক্‌কালীন হিচাপে আধুনিক অসমীয়া সাহিত্যৰ উন্মেষৰ এই সময়ছোৱাক **প্ৰাক্ ৰোমাণ্টিক স্তৰ** বুলি ক'বলৈ আজকাল হয়। কাৰণ ৰোমাণ্টিক ধাৰা পশ্চিমীয়া আৰু পশ্চিমৰ পৰা বোৱা বতাহৰ ঢৌত আহিহে অসমত ৰোমাণ্টিকতাৰ বা বলিছিল। কিন্তু **প্ৰাক্ ৰোমাণ্টিক** বুলি ক'লেও আচলতে এই উন্মেষ কালছোৱা বা **হেমচন্দ্ৰ-গুণাভিৰামৰ স্তৰ**টো ৰোমাণ্টিক ধাৰাৰ কঠিয়াতলী বা ৰোমাণ্টিক ধাৰাৰ উকমুকনিৰ সময় নহয়, সময়ৰ লেখেৰেহে ৰোমাণ্টিকতাৰ আগৰ সময়।

**প্ৰাক্ ৰোমাণ্টিক স্তৰৰ কবিতাৰ বৈশিষ্ট্য :**

প্ৰাক্ ৰোমাণ্টিক স্তৰৰ অসমীয়া সাহিত্যৰ কিছুমান বৈশিষ্ট্য লক্ষ্য কৰা যায়, যিবোৰ বৈশিষ্ট্য **অৰুণোদই**ৰ সময়ৰ পৰা যথেষ্ট পৃথক। সেই বৈশিষ্ট্যবোৰ হ'ল— ব্যংগ বা হাস্যৰসাত্মক ৰচনাৰ পয়োভৰ, স্বদেশানুৰাগৰ উন্মেষ, অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগেৰে কাব্য ৰচনা, আধুনিক ৰূপত পৌৰাণিক কাহিনীৰে নাটক সৃষ্টি, গীতি কবিতাৰ উন্মেষ, তাত্বিক ৰচনাৰ সৃষ্টি, সাঁচিপতীয়া পুথি ছপা আখৰত প্ৰকাশ, জীৱনী সাহিত্যৰ জন্ম আদি সাহিত্যৰ বিবিধ বিভাগৰ জন্মৰে অসমীয়া আধুনিক সাহিত্যৰ দৃঢ় ভেটি প্ৰতিষ্ঠা এই স্তৰতে হয়।

এই স্তৰটোত অসমীয়া কবিতাৰ অন্যতম বৈশিষ্ট্য হৈছে স্বদেশানুৰাগৰ ৰাগীত মতলীয়া হৈ দেশাত্মবোধক কবিতা প্ৰকাশ কৰা আৰু অমিত্ৰাক্ষৰ ছন্দৰ আমদানিৰে অসমীয়া কবিতাৰ নতুন ছন্দ সজ্জাৰে নতুন কবিতাৰ সংযোজন। গভীৰ দেশাত্মবোধেৰে শব্দৰ স্ফুলিংগ সৃষ্টি কৰি জাতীয় জাগৰণ সৃষ্টি কৰোঁতে **অগ্নি কবি কমলাকান্ত ভট্টাচাৰ্য**ৰ আগৰ হেমচন্দ্ৰ-গুণাভিৰামেও ব্ৰিটিছ প্ৰশাসনক বেয়া পাইছিল যদিও ব্ৰিটিছসকল অসমৰ পৰা সবংশে গুচি যোৱাতো কামনা কৰা নাছিল। তেওঁলোকে ভাবিছিল ইংৰাজী ভাষাৰ পোহৰতহে কু-সংস্কাৰপূৰ্ণ অসমীয়া সমাজে জ্ঞানৰ পোহৰ পাব। কিন্তু সাধাৰণ অসমীয়া মানুহে প্ৰাক্ **অৰুণোদই যুগ**ৰ পৰা উনবিংশ শতিকাৰ মধ্যভাগলৈ অসমৰ ৰাজনৈতিক, সামাজিক আৰু ভাষিক দুৰ্যোগৰ বাবে সাহিত্য-সংস্কৃতিৰ কথা বাদেই আত্ম-প্ৰতিষ্ঠাৰ যুঁজতে ব্যস্ত আছিল। সেয়ে এই সময়ত সাধাৰণ অসমীয়া লোকসকলে নিজস্ব ঐতিহ্যৰ কথা সমূলি পাহৰি গৈছিল। কিছুমানে মনত ৰাখিছিল যদিও ব্ৰিটিছৰ বিপক্ষে মাতিবলৈ সাহস গোটাব পৰা নাছিল। সাধাৰণ অসমীয়া সমাজে ব্ৰিটিছৰ শোষণ-নিষ্পেষণ সমূলি পাহৰি প্ৰশাসনিক স্থিৰতাকেই নিৰাপত্তা বুলি ভাবি জীৱাবলৈ আৰম্ভ কৰিছিল। **কমলাকান্ত ভট্টাচাৰ্যই** জাতীয় চেতনা জাগ্ৰত কৰি অসমীয়া মানুহক জগাবলৈ চেষ্টা কৰিছিল।

**প্ৰাক্ ৰোমাণ্টিক স্তৰৰ কবিসকল :**

সংখ্যাত বৰ সৰহ নহ'লেও **প্ৰাক্ ৰোমাণ্টিক স্তৰ**ত কেইবাজনো প্ৰসিদ্ধ কবি জন্ম হয়। সেইসকলৰ ভিতৰত অন্যতম কেইজন আছিল ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য, ৰত্নেশ্বৰ মহন্ত আদি।

গুণাভিৰাম বৰুৱাই **গুৰুদত্ত** ছদ্মনামত **বিজুলী** কাকতত কেইবাটাও কবিতা প্ৰকাশ কৰিছিল বুলি জনা যায়। ৰমাকান্ত চৌধুৰীয়ে বাঙালী কবি মাইকেল মধুসুদন দত্তৰ **মেঘনাদ বধ কাব্যৰ** আৰ্হিৰে অমিতাক্ষৰ ছন্দ প্ৰয়োগ কৰি **অভিমন্যু-বধ কাব্য**(১৮৭৫) ৰচনা কৰে। আনন্দৰ কথা মধুসুদন দত্তৰ লেখিয়াকৈ **অভিমন্যু-বধ কাব্য** কাব্যত আচহুৱা শব্দৰ ব্যৱহাৰ বা শব্দবিন্যাস জটিল নহয়। ভোলানাথ দাসেও বাঙালী কবি দত্তৰ আদৰ্শৰে অমিতাক্ষৰ ছন্দত **সীতাহৰণ কাব্য**(১৮৭৮-৮৮) ৰচনা কৰে। **আসাম বিলাসিনী** কাকতত এই কাব্যৰ এছোৱা প্ৰথমে প্ৰকাশ পাইছিল যদিও ১৮৮৮ তহে শেষ হয়। বাঙালী কবি দত্তৰ দৰেই আচহুৱা শব্দৰ প্ৰয়োগ আৰু নামধাতুৰ অধিক প্ৰয়োগে কাব্যখন ৰসোপম হৈ উঠাত বাধা দিয়ে। ইয়াৰ উপৰি ভোলানাথ দাসৰ দুটা খণ্ডত প্ৰকাশ পোৱা শিশু উপযোগী **কবিতামালা** (১৮৮১-৮৩) আৰু ইয়াতকৈ উন্নতমানৰ দ্বিতীয় কবিতা পুথি **চিন্তা-তৰঙ্গিনী** (১৮৮৪-৮৫) দুটা খণ্ডত প্ৰকাশ পায়। ভোলানাথ দাসৰ হাততে **মেঘ, মধুহাঁসি** আদি আধুনিক গীতি কবিতাৰ উন্মেষ ঘটে। কমলাকান্ত ভট্টাচাৰ্যৰ কবিতা পুথি দুখন; **চিন্তানল** (১৮৯০-৯২) আৰু **চিন্তা-তৰঙ্গ**(১৯৩৩) প্ৰকাশ পায়। ৰত্নেশ্বৰ মহন্তৰ কবিতা পুথিখনৰ নাম **কবিতাহাৰ**।

**কমলাকান্ত ভট্টাচাৰ্য ঃ**

অসমীয়া সাহিত্যৰ ভঁৰাললৈ মেটমৰা টোপোলাৰে অৰিহণা যোগাব নোৱাৰিলেও বিন্দুৰে সিন্ধু ৰচনা কৰা প্ৰাণোচ্ছল প্ৰতিভা হ'ল কমলাকান্ত ভট্টাচাৰ্য। পুৰণিকলীয়া সামাজিক প্ৰথা আৰু অন্ধ-বিশ্বাসক সমূলি ঠাই দিব নোখোজা, স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ ভাবত অনবৰতে নিমজ্জিত হৈ থকা প্ৰকৃত অসম হিতৈষী পুৰুষ আছিল কমলাকান্ত ভট্টাচাৰ্য।

কমলাকান্ত ভট্টাচাৰ্যৰ জন্ম হয় বিশ্বনাথ চাৰিআলিৰ গড়েহাগি গাঁৱত ১৮৫৩ চনত। দেউতাক বানেশ্বৰ ভট্টাচাৰ্য ব্ৰিটিছৰ ডাৰোগা আছিল। সেই সময়ত অসমৰ পঢ়াশালিত বাংলা ভাষাৰ প্ৰচলন থকাৰ বাবে কমলাকান্তই ঘৰতে পতা পঢ়াশালিতে শিক্ষা আৰম্ভ কৰে। হাইস্কুলীয়া শিক্ষা ল'বৰ বাবে প্ৰথমে তেজপুৰ হাইস্কুলত ভৰ্তি হয় যদিও পাছলৈ গুৱাহাটীৰ কলেজিয়েট হাইস্কুলত শিক্ষা গ্ৰহণ কৰে। অৱশ্যে তেওঁৰ এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰা নহ'ল। দেউতাকৰ অকাল মৃত্যুত ঘৰৰ দায়িত্ব কান্ধ পাতি ল'ব লগা হোৱাত তেজপুৰ কাছাৰীত এটি চাকৰিত সোমায়। বাংলা ভাষাৰ প্ৰৱৰ্তনৰ কাৰণেই হয়তো ছাত্ৰাৱস্থাৰে পৰা ব্ৰিটিছ বিৰোধী হৈ পৰা কমলাকান্তই বোলে কিবা বিবাদত এজন ব্ৰিটিছ চাহাবক তামোল গছত বান্ধি কিলায় আৰু লগে লগেই চাকৰি এৰিব লগাত পৰে। তাৰ পাছত তেওঁ হৰিবিলাস আগৰৱালাৰ লগ লাগি আন কাববাৰত ধৰে আৰু পাছলৈ স্বাধীনভাৱে মৰাপাট আৰু হাতীমহলত হাতী ধৰি বেপাৰ কৰিছিল। সাংসাৰিক জীৱনত আদবয়সতে হাইজা বেমাৰত পত্নী আৰু তিনিওটি সন্তানক হেৰুৱাব লগা হোৱাত পৰ্বতসম দুখৰ বোজা কান্ধত লৈ অনাই-বনাই ঘূৰি ফুৰিছিল।

প্ৰখৰ জাতীয় চেতনা কমলাকান্ত ভট্টাচাৰ্যৰ চৰিত্ৰৰ উজ্জ্বল ভূষণ। অসমীয়া সমাজত দেখা পোৱা কু-সংস্কাৰ, এলেহুৱা স্বভাৱক ভট্টাচাৰ্যই নানা বিদ্ৰূপ, ব্যংগ, ককৰ্থনা কৰিছিল

আৰু অসমীয়া জাতি তথা দেশৰ উন্নতিৰ প্ৰতি চিন্তা নকৰি নিদ্ৰামগ্ন হৈ থকা অসমীয়াসকলক অগ্নিস্ফুলিংগৰ দৰে তীব্ৰ বাক্যবাণেৰে জাগৰিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ কাব্যিক জীৱনৰ উজ্জ্বল চানেকি **চিন্তানল** (আগছোৱা ১৮৯০, শেষছোৱা ১৮৯২) আৰু **চিন্তাতৰঙ্গ** (১৯৩৩)ত জাতীয় চেতনাবোধক কবিতাসমূহ সংকলিত হৈছে। এই কবিতাসমূহ কমলাকান্তৰ স্বদেশ প্ৰীতিৰ উৎকৃষ্ট উদাহৰণ। তেওঁৰ গভীৰ যুক্তিবাদী চেতনাস্ৰোত প্ৰবাহিত হোৱা প্ৰবন্ধসমূহ পুথি আকাৰে **কঃপন্থা** (১৯৩৪)ত সংগ্ৰহ হৈছে, তেনেদৰে বাঁহী আলোচনীত ধাৰাবাহিকভাৱে ওলোৱা প্ৰবন্ধসমূহ **গুটিদিয়েক চিন্তাৰ** চৌত সংৰক্ষিত হৈছে। এই প্ৰবন্ধসমূহত তেওঁৰ মৌলিক চিন্তা, স্বকীয় দৰ্শন, স্বদেশানুৰাগৰ উমান পাব পাৰি। প্ৰকাশ হৈ নোলোৱা আন এখন পুথি **অষ্টাবক্ৰৰ আত্মজীৱনী**। সহজ-সৰলকৈ প্ৰকাশ কৰিব পৰাতো তেওঁৰ লিখনিৰ আন এক বৈশিষ্ট্য। অসম মাতৃৰ এইজন নিষ্ঠাবান পূজাৰীৰ ১৯৩৬ চনত মৃত্যু হয়।